# পঞ্চদশ অধ্যায়
# বজাৰত তৈয়াৰী সাজ-পোছাকৰ নিৰ্বাচন
# (Selection of Ready made Garments)

## ১৫.১ পাতনি (Introduction) :

(আমি পৰিধান কৰা পোছাকযোৰে আমাৰ ব্যক্তিত্বৰ এক পৰিচয় ডাঙি ধৰে। এযোৰ ধুনীয়া পোছাক পিন্ধা ব্যক্তিয়ে অতি সহজে আমাক আকৰ্ষিত কৰে।) তুমি এযোৰ সুন্দৰ পোছাক পিন্ধি বন্ধু বা বান্ধৱীৰ ঘৰলৈ যাওঁতে তোমাক নিশ্চয় পোছাকযোৰৰ কথা সোধে। সেইদৰে চুমীয়ে এযোৰ ধুনীয়া পোছাক পিন্ধি বান্ধৱী গীতাৰ ঘৰলৈ যাওঁতে তাই বহু প্ৰশংসা পালে। লগতে তাইক এই পোছাক ক'ৰ পৰা কিনিছে, মূল্য কিমান, তাইক কেনে দেখিছে ইত্যাদি নানা প্ৰশ্ন আৰু প্ৰশংসাৰে ব্যতিব্যস্ত কৰি তুলিলে। ইয়াৰ দ্বাৰা তুমি বাৰু কি বুজি পালা? চুমীৰ পোছাকযোৰে তাইৰ সৌন্দৰ্য্য বঢ়াই, ব্যক্তিত্ব আৰু ৰুচি প্ৰতিফলিত কৰি আনক আৰ্কষিত কৰিছে। গতিকে আমি পোছাক নিৰ্বাচন কৰিবলৈ যাওঁতে বহুতো বিষয়লৈ চকু দিব লাগিব।

সাজ-পোছাক বিভিন্নধৰণে প্ৰস্তুত কৰা হয়। বহুতে নিজৰ পছন্দৰ কাপোৰ কিনি ঘৰতে নিজে পোছাক তৈয়াৰ কৰি লয়। এই ক্ষেত্ৰত পোছাক তৈয়াৰ কৰা কলা-কৌশলসমূহৰ বিষয়ে জ্ঞান থাকিব লাগিব। বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱন-প্ৰণালীৰ বাবে আমাৰ বহুতৰে সাজ-পোছাক নিৰ্মাণৰ বিষয়ে জ্ঞান থাকিলেও সময়ৰ নাটনি হোৱা দেখা গৈছে। সেয়েহে বজাৰত তৈয়াৰী (Readymade) আৰু দৰ্জ্জীৰ দ্বাৰা তৈয়াৰী পোছাকৰ চাহিদা দিনক দিনে বাঢ়ি আহিছে। প্ৰতিবিধ পোছাক তৈয়াৰ কৰা পদ্ধতিৰ কিছুমান সুবিধা আৰু অসুবিধা আছে। যিকোনো প্ৰকাৰৰ পোছাক নিৰ্বাচনৰ ক্ষেত্ৰত বহুতো কথালৈ লক্ষ্য ৰাখিব লাগে। আমি ইতিমধ্যে আগৰ পাঠটিত পোছাক নিৰ্বাচনৰ ক্ষেত্ৰত বিবেচনা কৰিবলগীয়া কাৰকসমূহ যেনে ব্যক্তিত্ব, বয়স, জলবায়ু, দেহৰ গঠন ইত্যাদিৰ বিষয়ে আভাস পাই আহিছোঁ। এজন লোকৰ পোছাকে তেওঁৰ চৰিত্ৰ, ৰুচি, ব্যক্তিত্ব, পৰি-পাটি আদি গুণ প্ৰকাশ কৰে। গতিকে পোছাক নিৰ্বাচন কৰাৰ আগতে এক উপযুক্ত পৰিকল্পনা কৰি লোৱা উচিত। আৰ্থিক সামৰ্থ্যই পোছাকৰ মানদণ্ড আৰু মূল্যৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। কাৰণ গড় হিচাবে মুঠ উপাৰ্জনৰ দহ শতাংশহে পোছাকৰ বাবে ব্যয় কৰা উচিত। গতিকে তোমালোকে নিজৰ আৰু পৰিয়ালৰ বাবে পোছাক কিনাৰ আগতে এই সকলোবোৰ কথা জুকিয়াই এক পৰিকল্পনা কৰি ল'ব লাগে।

এই পাঠটি পঢ়ি পোছাক নিৰ্বাচনৰ ক্ষেত্ৰত

তলত উল্লেখ কৰা কিছুমান গুৰুত্বপূৰ্ণ বিষয় জানিব পাৰিবা—

- শৰীৰৰ জোখ-মাখ লোৱাৰ প্ৰয়োজনীয়তা আৰু পদ্ধতিসমূহ।
- সাজ-পোছাকৰ গুণা-গুণ আৰু শুদ্ধ কাৰিকৰী কৌশলসমূহ।
- পোছাকত ব্যৱহৃত বিভিন্ন ডিজাইন, সিয়নি, প্লেকেট, প্লিট, বুতাম ইত্যাদি।

**১৫.১ (১) শৰীৰৰ জোখ-মাপ—প্ৰয়োজনীয়তা আৰু পদ্ধতিসমূহ : (Body Measurement–Needs and Methods) :**

আমি বজাৰলৈ আমাৰ পোছাক কিনিবলৈ গ'লে প্ৰথমেই পোছাকৰ জোখ পৰীক্ষা কৰি চাওঁ। পোছাকৰ দৈৰ্ঘ্য, হাতৰ জোখ, বুকু, কঁকাল আদি শৰীৰৰ সঠিক জোখত আটিছেনে নাই ইত্যাদি কথাবোৰ নিৰীক্ষণ কৰিহে সঠিক জোখৰ পোছাক নিৰ্বাচন কৰো। ই শৰীৰৰ গঠনৰ লগত মিলি পৰিব লাগিব। গতিকে পোছাক এযোৰ চিলোৱা বা বজাৰৰ পৰা তৈয়াৰী পোছাক কিনিবলৈ যোৱাৰ আগতে শৰীৰৰ জোখ-মাপ লোৱাৰ সঠিক জ্ঞান থকা অতি আৱশ্যক। কাৰণ জোখ নিখুঁত নহ'লে পোছাকৰ নিৰ্বাচন অতি কঠিন হৈ পৰে। আনহাতে শৰীৰৰ জোখ নিৰ্দিষ্টকৈ জনা থাকিলে যিকোনো পোছাক নিৰ্বাচন কৰি উলিওৱা সহজ হয়। পোছাক ঘৰত নিৰ্মাণ কৰিবলৈ বা দৰ্জ্জীৰ দোকানত চিলাবলৈ দিলেও শুদ্ধকৈ জোখ ল'ব জানিলেহে শৰীৰৰ গঠন অনুযায়ী পোছাক শুৱাই পৰাকৈ চিলাব পাৰি।

**শৰীৰৰ জোখ-মাখ লওঁতে বিবেচনা কৰিবলগীয়া বিষয়-(Points to be considered while taking body measurements) :**

১। শৰীৰৰ জোখ লওঁতে সম্পূৰ্ণ পোন হৈ থিয় দিব লাগে আৰু জোখ আন এজনে ল'লেহে সঠিক জোখ পোৱা যায়।

২। জোখ লওঁতে শৰীৰৰ ওপৰত পিন্ধা ঢিলা পোছাকসমূহ খুলি লৈ ভালদৰে আট খাই থকা অন্তৰ্বাস (Foundation garments) পিন্ধা অৱস্থাত থাকিব লাগে।

৩। গোলাকাৰ (Round) জোখ-মাখবোৰ বেছি টান বা বেছি ঢিলাকৈ ল'ব নালাগে।

৪। পোছাকৰ দীঘৰ (Lenght) জোখ লওঁতে ফিটাডাল বাজহাড়ৰ সম্পূৰ্ণ সমান্তৰালকৈ ল'ব লাগে।

৫। পোছাকৰ ধৰণ অনুযায়ী শৰীৰৰ জোখ লোৱা উচিত। ফেছনৰ লগত খাপ খোৱাকৈ পোছাকৰ নমুনাও সলনি হ'ব ধৰিছে। গতিকে পোছাক পিন্ধোতাজনৰ পৰা পোছাকৰ ধৰণৰ বিষয়ে ভালকৈ বুজি ল'ব লাগে।

৬। সঠিক স্থানৰ পৰা জোখ লোৱা আৰম্ভ কৰি সঠিক স্থানত শেষ কৰিব লাগে।

শৰীৰৰ জোখ-মাপ লোৱা বিভিন্ন পদ্ধতি আছে। আমাৰ দেহৰ বিভিন্ন ভাঁজবোৰৰ সৈতে পোছাকযোৰ লিপিত খাই পৰিলেহে দেখাত শুৱনি হয়। দেহৰ এই ভাঁজ, দৈৰ্ঘ্য, প্ৰস্থ আদিৰ জোখ লোৱা বিজ্ঞানসন্মত পদ্ধতিসমূহ প্ৰয়োগ কৰি জোখ ল'লেহে পোছাক সঠিক জোখত পাব পাৰি। ইয়াত দেহৰ জোখ লোৱা কেতবোৰ বিধি উল্লেখ কৰা হৈছে—

**১ ঘূৰণীয়া ভাৱে লোৱা জোখ—**


**(i) ডিঙি (Neck) :** ডিঙিৰ জোখ লবলৈ হ'লে জোখ লোৱা ফিটাডাল গলৰ একেবাৰে তলৰ অংশত মেৰিয়াই মাপ লব লাগে।

**(ii) বাহু (Arm) :** এই জোখ লবলৈ, বাহু ভাজ কৰি লৈ কান্ধ আৰু কিলাকুটিৰ মাজত সবাতোকৈ মঙহাল অংশৰ মাপ লব লাগে।

**(iii) বুকু (Bust) ঃ** জোখ লোৱা ফিটাডাল পিঠিফালৰ পৰা দুই কাষলতিৰ তলেৰে আনি বুকুৰ আটাইতকৈ উচ্চ স্থানৰ ওপৰত মাপ লব লাগে।

**(iv) কঁকাল (waist) ঃ** কঁকালৰ অতি ক্ষীণ অংশটিৰ জোখ ল'ব লাগে। ফিটাডাল বেছি টান বা বেছি ঢিলাকৈ ল'ব নালাগে।

**(v) তপিনা (Hip) ঃ** কঁকালৰ পৰা প্ৰায় সাত ইঞ্চি তলৰ আটাইতকৈ উচ্চ অংশটিৰ ঘূৰণীয়াকৈ মাপ লব লাগে।




চিত্ৰ — ৪.১ ঘূৰণীয়াকৈলোৱা জোখ

**২। পুতল (Width)—**

**(i) পিঠিৰ জোখ (Back Measurement) ঃ** পিঠিৰ পিছফালৰ পুতলৰ মাপ লবলৈ হ'লে গলৰ তলৰ অংশৰ প্ৰায় চাৰি বা পাঁচ ইঞ্চি তলৰ অংশত ল'ব লাগে পিছফালে কাষলতি তলৰ এমূৰৰ পৰা আনমূৰলৈ পথালিকৈ জোখ ল'ব লাগে।

**(ii) কান্ধৰ জোখ (Shoulder Measurement) ঃ** ডিঙিৰ একেবাৰে তলফালে কান্ধৰ এটা মুৰৰ পৰা আনটো মূৰলৈ মাপ ল'ব লাগে।

**(iii) সন্মুখৰ বুকুৰ জোখ (Front chest Measurement) ঃ** বাহু আৰু দেহৰ সংযোগ স্থানৰ পৰা এই মাপ লোৱা হয়। বুকুৰ পোনে পোনে বাহুৱে যি অংশত দেহৰ পৰা বিচ্ছিন্ন হয়, সেই অংশৰ পথালিকৈ জোখ ল'ব লাগে।


**৩। দৈৰ্ঘ্য (Length) ঃ**

(i) কান্ধৰ সবাতোকৈ উচ্চ স্থানৰ পৰা বুকুৰ ওপৰেদি কঁকাললৈকে দীঘলকৈ জোখ ল'ব লাগে।

(ii) কান্ধৰ আটাইতকৈ উচ্চ অংশৰ পৰা বুকুৰ উচ্চ অংশলৈ দীঘৰ মাপ ল'ব লাগে।

(iii) কাষলতিৰ পৰা হাতৰ সৰু গাঁঠিলৈকে দীঘলকৈ জোখ ল'ব লাগে।

(iv) কাষলতিৰ পৰা কঁকাললৈকে হোৱা দীৰ্ঘতাৰ জোখ ল'ব লাগে।




চিত্ৰ—৪.২ দীঘলকৈ লোৱা জোখ

**৪। হাতৰ জোখ (Sleeve Measurements)—**

(i) হাতৰ জোখ লোৱাৰ সময়ত ছবিত দিয়াৰ দৰে হাতখন কঁকালত থৈ ল'ব লাগে। কান্ধৰ হেলনীয়া ৰেখাৰ (shoulder line) একেবাৰে নিম্নবিন্দুৰ পৰা কিলাকুটি, সৰু গাঁঠি বা বিচৰামতে দৈৰ্ঘ্যৰ মাপ ল'ব লাগে।

(ii) কিলাকুটি আৰু সৰু গাঁঠিৰ ঘূৰণীয়াকৈ ফিটাৰে জোখ ল'ব লাগে।

**৫। ভৰিৰ জোখ (Leg Measurements)—**

(i) পেণ্ট, পাইজামা, চুৰিদাৰ আদি চিলাবলৈ ভৰিৰ গাঁঠিৰ জোখ ঘূৰণীয়াকৈ ল'ব লাগে। জোখ লোৱা ফিটাডাল ঢিলাকৈ ধৰিব লাগে।

(ii) পেণ্ট, চুৰিদাৰ আদিৰ সঠিক জোখৰ বাবে আঁঠুৰ ওচৰৰ ভৰিৰ নিম্ন অংশৰ ঘূৰণীয়াকৈ জোখ ল'ব লাগে।

শৰীৰৰ জোখ-মাপ লোৱা এই পদ্ধতিসমূহ শুদ্ধ আৰু সঠিকভাৱে ল'লেহে পোছাকৰ বাবে বজাৰৰ পৰা বস্ত্ৰ নিৰ্বাচন কৰা সহজ হয়। জোখ-মাখ, নমুনা বা ষ্টাইল, পোছাক চুটি-দীঘল ঢিলা-টান আদিৰ ওপৰত নিৰ্ভৰ কৰি কাপোৰৰ পৰিমাণ কিমান লাগিব তাক নিৰ্ণয় কৰা হয়। গতিকে শৰীৰৰ জোখ লোৱা পদ্ধতি শুদ্ধ নহ'লে সকলো খেলি-মেলি হ'ব।

**১৫.১ (২)পোছাকৰ গুণা-গুণ আৰু উত্তম কাৰিকৰী কৌশল (Quality of Garment and Good Workmanship) :**

তোমালোকে বাৰু বজাৰলৈ কাপোৰ কিনিবলৈ গ'লে কাপোৰৰ কেনেধৰণৰ বিষয়সমূহ লক্ষ্য কৰা? কাপোৰৰ বিভিন্ন প্ৰকাৰ, বৈশিষ্ট্য আৰু চৰিত্ৰ থাকে। গতিকে কাপোৰ কিনাৰ আগতে কাপোৰৰ বিষয়ে কিছুমান তথ্য জানি লোৱা ভাল। পোছাকৰ গুণাগুণ প্ৰধানকৈ আঁহৰ ওপৰত নিৰ্ভৰ কৰে। আঁহৰ প্ৰকাৰ অনুযায়ী বস্ত্ৰৰ ৰং, ডাঠ-পিট, সূতাৰ পাক, অলংকৰণ আদি নিৰ্ধাৰণ হয়। আঁহবোৰ প্ৰাকৃতিক যেনে কপাহী, লিনেন, উল, চিল্ক আদি আৰু কৃত্ৰিম যেনে ৰেয়ন, নাইলন, টেৰিলিন আদি হয়। তন্তুৰ পৰা বিভিন্ন পদ্ধতিৰে বস্ত্ৰ প্ৰস্তুত কৰা হয়। তোমালোকে ইতিমধ্যে বোৱন, গোঠন, ফেল্টিং নেটিং আদি পদ্ধতিৰ বিষয়ে জ্ঞান পাই আহিছা। বস্ত্ৰ প্ৰস্তুত কৰা পদ্ধতিৰ ওপৰত পোছাকৰ গুণাগুণ বহু পৰিমাণে নিৰ্ভৰ কৰে। পোছাকৰ গুণাগুণ বিচাৰ কৰিবলৈ যাওঁতে কিছুমান বিশেষ কথালৈ লক্ষ্য কৰিব লাগে।

১। এজন লোকৰ পোছাকে তেওঁৰ ব্যক্তিত্ব আৰু দেহৰ গঠনৰ সৈতে খাপ খাই পৰিব লাগে। বয়স, জলবায়ু, কাৰ্য অথবা আৱশ্যকতা, সামাজিক অনুষ্ঠান, উৎসৱ আদি লক্ষ্য কৰি পোছাক কিনিব লাগে। জলবায়ুলৈ লক্ষ্য কৰি পোছাকৰ ৰং নিৰ্বাচন কৰা উচিত। কাৰণ ৰঙে কাপোৰৰ গুণাগুণৰ ওপৰত প্ৰভাৱ পেলায়। পাতল ৰঙ যেনে বগা, গুলপীয়া, পাতল নীলা, হালধীয়া আদি ৰঙে সূৰ্যৰ তাপ আৰু ৰশ্মি বিকিৰণ কৰি শীতল অনুভূতি দিয়ে। গতিকে গৰমৰ দিনত এনে ৰঙৰ পোছাকে আৰাম দিয়ে। আনহাতে গাঢ় ৰং যেনে ক'লা, ৰঙা, কমলা ডাঠ বেঙুনীয়া, নীলা আদি ৰঙে তাপ শোষণ কৰি উষ্ণ অনুভূতি দিয়ে। সেয়েহে এনে ৰঙৰ পোছাক শীতকালৰ বাবে উপযোগী।

২। তোমালোকৰ সকলোৰে আগে ধাৰণা যে

অধিক মূল্য হ'লে পোছাক উৎকৃষ্ট মানৰ হয়। কিন্তু এই কথা সদায় সত্য নহয়। পোছাকৰ ক্ষেত্ৰত মিতব্যয়ী হোৱা ভাল। কাপোৰৰ ব্যৱহাৰ বা কাৰ্য অনুসৰি কাপোৰৰ মানদণ্ড হোৱা উচিত। উৎকৃষ্ট মানদণ্ড, স্থায়িত্ব আৰু আৱশ্যকীয় গুণ পৰীক্ষা কৰিহে সঠিক দামত পোছাক কিনিব লাগে।

৩। পোছাক নিৰ্বাচন কৰোঁতে সদায় চাব লাগে যাতে দেখাত আকৰ্ষণীয় হয়। কাপোৰৰ ওপৰিভাগ চুই চালে ভাল লগা হ'ব লাগে। আৱশ্যক অনুযায়ী কাপোৰ কোমল, মসৃণ, খহটা বা ডাঠ হোৱা উচিত।

৪। পোছাকৰ গুণাগুণ বিচাৰ কৰিবলৈ যাওঁতে তোমাৰ পোছাকে তোমাৰ শৰীৰত আট খাই শুৱাই পৰিব নে নাই তাক চাব লাগিব। দেহৰ ৰং আৰু আকাৰ অনুসৰি পোছাক বা বস্ত্ৰৰ ৰং তথা নমুনা হ'ব লাগে।

৫। পোছাকৰ স্থায়িত্ব নিৰ্ভৰ কৰে, পোছাক তৈয়াৰ কৰাত ব্যৱহৃত কাপোৰ, সূতা, সূতাৰ পাক ইয়াৰ বোৱন ইত্যাদিৰ ওপৰত। গতিকে পোছাক কিনোতে কাপোৰখন কিমান শক্তিশালী আৰু কাৰ্যক্ষম হয়, সেইকথা চাই ল'ব লাগে।

পোছাক প্ৰস্তুত কৰাৰ সবিশেষ কাৰি-কৰী কৌশল আৰু চিলাই কৰা কাৰ্য ভাল আৰু নিখুঁত হোৱা উচিত। সেয়েহে পোছাক কিনাৰ আগতে এই সকলোবোৰ দিশ পৰ্যবেক্ষণ কৰিব লাগে। পোছাকৰ কাৰু-কাৰ্য্য বুলি ক'লে ইয়াৰ সিয়নি, বন্ধনী, পাতলি, কলাৰ, লেচ, পাইপিং আদিক বুজায়। এই সকলোবোৰৰ কাৰি-কৰী কৌশল মজবুত আৰু বিজ্ঞানসন্মত হ'লেহে পোছাক অধিক শক্তিশালী আৰু স্থায়ী হয়। পোছাকত উত্তম কাৰি-কৰী কৌশল প্ৰয়োগ কৰিবলৈ হ'লে আমি কিছুমান বিষয়লৈ চকু দিব লাগিব।

**১৫.১ (৩) বস্ত্ৰ (Fabric)**

পোছাক প্ৰস্তুত কৰাৰ মূল উপাদান হৈছে বস্ত্ৰ। এই বস্ত্ৰ বা কাপোৰখন পোছাকৰ নমুনা, জলবায়ু আৰু পিন্ধোতাজনৰ বয়স আৰু কেনে অনুষ্ঠানত পিন্ধা পোছাক তাৰ লগত খাপ খাব লাগিব। বৰ্তমানে বজাৰত বিভিন্ন প্ৰকাৰৰ কাপোৰ দেখা যায়। পোছাকৰ বাবে সঠিক বস্ত্ৰ নিৰ্বাচন কৰিবলৈ হ'লে বিভিন্ন কাপোৰৰ ধৰ্ম্ম আৰু বিশেষত্বসমূহ ভালদৰে জানি ল'ব লাগে।

**১৫.১ (৪) পৰিধানযোগ্যতা (Drape)**

এযোৰ পোছাক পিন্ধাৰ পিছত ই যেতিয়া আমাৰ দেহত সঠিক ভাৱে খাপ খাই পৰে আৰু পিন্ধি আৰাম লাগে তেনে পোছাককে আমি পৰিধানযোগ্য পোছাক হিচাপে গণ্য কৰো। কিছুমান পোছাক আমি সহজে চম্ভালিবলৈ টান পাওঁ আৰু পিন্ধি সন্তুষ্টি নাপাওঁ। উদাহৰণস্বৰূপে গধুৰ কাপোৰ যেনে টুইড্, ভেলভেট, কৰ্ডৰয় (Corduroy) আদিৰ পৰা প্ৰস্তুত কৰা পোছাক পিন্ধিবলৈ বিশেষ আৰামদায়ক নহয়। আনহাতে ভয়ল, চিল্ক, চিফন, ক্ৰেপ আদি কাপোৰৰ পোছাক কোমল আৰু সহজে পৰিধানযোগ্য।

**১৫.১ (৫) নমুনা (Design)**


পোছাকৰ নমুনা সদায় আধুনিক কিন্তু গাম্ভীৰ্যপূৰ্ণ হোৱা উচিত। পোছাকৰ নমুনাই পিন্ধোতাজনক শুৱাব লাগিব। এজন লোকৰ ব্যক্তিত্ব, বয়স আৰু দেহৰ গঠনৰ লগতে খাপ খোৱা নমুনাৰ পোছাক নিৰ্বাচন কৰিব লাগে। পোছাকৰ সঠিক নমুনা নহ'লে এযোৰ দামী কাপোৰও পিন্ধোতাজনক আকৰ্ষণীয় কৰি তুলিব নোৱাৰে। আনহাতে এটি সুন্দৰ সহজ নমুনাৰ কমদামী

পোছাকেও এজন লোকক অধিক আকৰ্ষণীয় ৰূপত তুলি ধৰে। নমুনা দুই প্ৰকাৰৰ হ'ব পাৰে। যেনে— কাপোৰৰ উপৰি ভাগত দিয়া নমুনা। এই নমুনা কাপোৰত ফুল তুলি টুকুৰা কাপোৰ লগাই তৈয়াৰ কৰিব পাৰি। আন এক প্ৰকাৰ নমুনা হ'ল গঠনমূলক নমুনা। ক'লাৰ, ইয়ক আদি ইয়াৰ অন্তৰ্গত।

**১৫.২ (ক) সিয়নি (Seams)**


পোছাকৰ বিভিন্ন অংশ জোৰা লগোৱা প্ৰণালীকে সিয়নি বোলে। এখন কাপোৰক পোছাকৰ আকৃতি এই সিয়নিৰ সহায়েৰে দিয়া হয়। সিয়নি ব্যৱহাৰ কৰি পোছাক আকৰ্ষণীয় আৰু মজবুত কৰিব পাৰি। সিয়নি কেইবা প্ৰকাৰৰো আছে। কাপোৰৰ প্ৰকৃতি আৰু ব্যৱহাৰ অনুযায়ী সিয়নি নিৰ্বাচন কৰা হয়। সিয়নি নিখুঁত, পৰিপাটি, সমান আৰু পোন হলেহে পোছাকৰ সৌন্দৰ্য বাঢ়ে। বিভিন্ন প্ৰকাৰৰ সিয়নিসমূহ হ'ল—

**১। সৰল সিয়নি (Plain or Flat Seam) :** প্ৰায় সকলো পোছাকত সৰল সিয়নি ব্যৱহাৰ কৰা হয়। ই অতি সমান হৈ থাকে বাবে দেখাত শুৱনি হয়। সাধাৰণতে ব্লাউজ, ফ্ৰক, স্কাৰ্ট, কামিজ, চাৰ্ট-পেন্ট আদি চিলাওঁতে এই সৰল সিয়নি ব্যৱহাৰ কৰা হয়।




চিত্ৰ ৪.৩— (ক) সৰল সিয়নি

সৰল সিয়নি প্ৰস্তুত কৰিবলৈ কাপোৰ দুখনৰ চিধা ফালদুটা একেলগ কৰি কাষত $\frac{1}{2}''$ $\frac{3}{4}''$ ইঞ্চি কাপোৰ এৰি দি মিহিকৈ চিলাই মাৰিব লাগে। শেষত কটা মুৰ দুটা সমানকৈ মেলি দিব লাগে। কাষ দুটা পিংকিং কেচিৰে zigzag কৈ কাটি দিবও পাৰি। আজি কালি ইন্টাৰলক মেচিনৰ সহায়ত মোৰনি মাৰি অধিক সহজ আৰু শুৱনি কৰিব পৰা হৈছে।



চিত্ৰ ৪.৩— (খ) পিংকিং সিয়নি

**২। ৰান এণ্ড ফেল সিয়নি (Run and Fell Seam) :** এই সিয়নি সাধাৰণতে হাতেৰে কৰা হয় আৰু কাপোৰৰ ওলোটা ফালে কৰা হয়। এই সিয়নি অতি মিহি, চেপেটা, পোছাকৰ গাত লিপিত খাই




চিত্ৰ ৪.৩— (গ) ৰান এণ্ড ফেল সিয়নি

থাকে, সেয়েহে ইয়াক সচৰাচৰ শিশুৰ পোছাক, খেলৰ পোছাক, অন্তৰ্বাস আদিৰ সিয়নি চিলাওঁতে ব্যৱহাৰ কৰা হয়।

বাণ এণ্ড ফেল অথবা পাতি সিয়নি প্ৰস্তুত কৰোঁতে কাপোৰ দুখনৰ, এখন আনখনতকৈ আধা ইঞ্চিমান আগবঢ়াই চিলাব লাগে। ইয়াৰ পিছত দুয়ো অংশ সমানকৈ মেলি, আগবাঢ়ি থকা অংশটো মোটোকাই পুনৰ হেম চিলাই কৰা হয়। এই সিয়নিয়ে পোছাক মজবুত কৰে আৰু সৌন্দৰ্য্যও বঢ়ায়।

৩। **ফ্ৰেন্স সিয়নি (French Seam) :** এই সিয়নি সাধাৰণতে পাতল কাপোৰ যেনে ভইল, জৰ্জেট, অৰ্গেণ্ডি আদিত ব্যৱহাৰ কৰা হয়। ই অতি মিহি আৰু শক্তিশালী হয়। সেইবাবে ইয়াক শিশুৰ পোছাক, ব্লাউজ পাতল ফ্ৰক, পাঞ্জাৰী আদিত বেছিকৈ ব্যৱহাৰ কৰা হয়। ফ্ৰেন্স সিয়নি চিলাবলৈ হ'লে কাপোৰৰ চিধাফাল দুটা একেলগে লৈ প্ৰায় ১/৮ ইঞ্চি কাপোৰ এৰি চিলোৱা হয়। তাৰ পিছত কাপোৰ দুখন ওলোটাই পুনৰ একেদৰে ১/৪ ইঞ্চি মান এৰি, আগৰ কটা মূৰ সম্পূৰ্ণকৈ আবৰি চিলাইত সোমাবাই লৈ চিলনি মাৰিব লাগে। ফলত এই সিয়নি অতি মজবুত হয়।



চিত্ৰ ৪.৩— (ঘ) ফ্ৰেন্স সিয়নি

বিভিন্ন সিয়নিৰ নমুনা


৪। **লেপড্ বা ওপৰ সিয়নি (Lapped Seam) :** কিছুমান পোছাকৰ সিয়নি স্থান ওখকৈ পৰিস্ফুট কৰি আকৰ্ষণীয় কৰিবলৈ এই সিয়নি ব্যৱহাৰ কৰা হয়। বিশেষকৈ পোছাকৰ ইয়ক্ (yoke) লগাবলৈ এই সিয়নি ব্যৱহাৰ কৰিলে পোছাকৰ সৌন্দৰ্য্য বাঢ়ে। জোৰা লগাবলগীয়া কাপোৰৰ দুই অংশৰ, এক অংশ আনটোৰ ওপৰত ভাজ কৰি লৈ চিলাই মাৰিব লাগে। ইয়াত পোছাকৰ ওপৰফালে কোনো সিয়নি ৰেখা দেখা নাযায়।

## ১৫.২ (খ) হেম চিলাই (Hemming)

হেম চিলাই হৈছে এবিধ আৱশ্যকীয় হাতেৰে কৰা চিলাই। তোমালোকে পিন্ধি থকা পোছাকৰ হেম চিলাই কেনে স্থানত আছে মন কৰাচোন। এই চিলাই পোছাকৰ পাতলি, হাত, ডিঙি আদিৰ ওলোটাফালে কাপোৰৰ কটা মূৰৰ পৰা সূতা ওলোৱা প্ৰতিৰোধ কৰিবলৈ ব্যৱহাৰ কৰা হয়। পাতলিত কিছু কাপোৰৰ মোৰণি দি হেম চিলাই ব্যৱহাৰ কৰিলে, সেই অংশ গধুৰ হৈ যথাস্থানত থাকে। ইয়াৰ দ্বাৰা পোছাকৰ সৌন্দৰ্য্য বাঢ়ে।

হেম চিলাই কৰিবলৈ হ'লে প্ৰথমে কাপোৰৰ কটা মূৰটোৰ কিছু অংশ মোটোকাই, আৱশ্যকীয় জোখত কাপোৰখন ভাঁজ কৰি ওলোটাপিনে চিলাই কৰিব লাগে। বেজীটো এবাৰ পোছাকৰ কাপোৰত ফুটাই কিছু অংশ সূতা বেজীত লৈ পুনৰ পাতলিৰ মাজেৰে ফুটোৱা হয়। এইদৰে সৰু সৰু কৈ হেলনীয়াভাৱে চিলাই কৰি আগবাঢ়ি গৈ থাকিব লাগে। এই হেম চিলাইৰ সহায়ত পাতলিটো পোছাকত স্থায়ীভাৱে লাগি ধৰে। চিলাইবোৰ ঘন-ঘন আৰু পৰিপাটি হ'ব লাগে। বেছি ভাঙৰকৈ চিধাফালটোত

দেখা পোৱা হ'ব নালাগে। এনে কৰিলে পোছাকৰ সৌন্দৰ্য্য হানি হয়।




চিত্ৰ ৪.৪ হেম চিলাই


### ১৫.৩ (ক) প্লেকেট (Placket)

পোছাকৰ খোলা অংশ যেনে ডিঙি, হাতৰ ঠাৰি, কাষত আৰু সন্মুখত থকা সিয়নিৰ খোলা অংশ বিভিন্ন প্ৰকাৰৰ প্লেকেট ব্যৱহাৰ কৰি সম্পূৰ্ণ কৰা হয়। প্লেকেট ব্যৱহাৰ কৰি এয়োৰ পোছাক পিন্ধিবলৈ সহজ কৰি তোলা হয়। সঠিক আৰু ভালদৰে চিলোৱা প্লেকেটে পোছাকযোৰ শৰীৰত ভালদৰে খাপ খাই পৰাত সহায় কৰে। প্লেকেট লগাওঁতে সাৱধান হ'ব লাগে যাতে কাপোৰখন কোচ নাখায় আৰু ই দেখাত মিহি তথা শুৱনি হয়। পোছাকৰ বন্ধনী যেনে বুতাম, হুক, জিপ (zip) আদি আট্ খাই পৰিবলৈও প্লেকেট ব্যৱহাৰ কৰা হয়। পোছাকৰ প্ৰয়োজনীয়তা অনুসৰি বিভিন্ন প্ৰকাৰৰ প্লেকেট ব্যৱহাৰ কৰা হয়।

সাধাৰণতে সিয়নি ৰেখা নথকা পোছাকৰ খোলা অংশত দীঘলকৈ একে টুকুৰা কাপোৰৰ প্লেকেট ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবে প্ৰায় ছয় চেন্টিমিটাৰ বহল আৰু পোছাকৰ কটা অংশৰ দুগুণতকৈ কিছু বেছি কাপোৰ কাটিব লাগে। এই কাপোৰ ডোখৰ কটা অংশৰ এটা মূৰৰ পৰা লগাই, মাজভাগত চিয়াঁকৈ আনটো মূৰলৈকে চিলাব লাগে। ই হৈছে এপতীয়া প্লেকেট (One-piece placket)। সেইদৰে সিয়নিৰেখা থকা পোছাকত দুপতীয়া প্লেকেট (Two-piece placket) লগোৱা হয়। ইয়াত খোলা অংশৰ সোঁফালটোত তিনি চেন্টিমিটাৰ বহল কাপোৰ লগাই সম্পূৰ্ণকৈ মোটোকাই চিলোৱা হয়। বাওঁফালৰ প্লেকেটৰ বাবে ছয় চেন্টিমিটাৰ বহল কাপোৰ লগাই,



(ক) এপতীয়া প্লেকেট




(খ) দুপতীয়া প্লেকেট

আধা অংশ মোটোকাই চিলাব লাগে। ইয়াৰ তলৰ ফালে কিছু অংশ বেছিকৈ লৈ যথাস্থানত প্লেকেটৰ দুই অংশ বহলাই চিলাব লাগে।

ব্লাউজ আৰু কুৰ্তাৰ সন্মুখৰ বুকুৰ অংশত ২০-৩০ চেণ্টিমিটাৰ দীঘল খোলা অংশ থাকে। এনে পোছাকত দুই টুকুৰা প্লেকেট কাটিব লাগে। তলত থাকিবলগীয়া প্লেকেটৰ কাপোৰ ছয় চেণ্টিমিটাৰ বহল আৰু ওপৰৰ কাপোৰ প্ৰায় আঠ বা ন চেণ্টিমিটাৰ বহল হোৱা উচিত। কাপোৰৰ বহল অংশ সোঁফালে আৰু আন অংশ বাওঁফালে চিলাই লৈ, দুয়োটা প্লেকেট মাজতে ভাঁজ কৰি মোটোকাই চিলাই পেলাব লাগে। প্লেকেটৰ তলৰ অংশ 'V' আকাৰত ভাঁজ কৰি কাষকেইটা চিলাই দিয়া উচিত।

এইদৰে বিভিন্ন প্ৰকাৰৰ প্লেকেটৰ প্ৰয়োগেৰে পোছাকৰ সৌন্দৰ্য্য বঢ়াই আৰামদায়ক কৰা হয়।




(গ) জিপ লগোৱা প্লেকেট

চিত্ৰ ৪.৫— বিভিন্ন প্ৰকাৰৰ প্লেকেট

### ১৫.৩ (খ) প্লিট (Pleats)

প্লিট হৈছে আমাৰ পোছাকত থকা কিছুমান জাঁপ বা ভাঁজ। আমি সকলোৱে সচৰাচৰ ব্যৱহাৰ কৰি থকা পোছাকবোৰলৈ মন কৰাচোন। সৰু বা ডাঙৰ বিভিন্ন ভাঁজৰ সহায়েৰে পোছাকযোৰ ধুনীয়া কৰি তোলে আৰু শৰীৰত ভালদৰে খাপ খাই পৰে। গতিকে যিবোৰ ভাঁজে (Fold) এখন বস্ত্ৰক পোছাকৰ ৰূপ দিবলৈ চপাই আনি নিয়ন্ত্ৰণ কৰি ৰাখে আৰু সেইহে খাপ খোৱাই পোছাক মনোৰম কৰি তোলে তাকে প্লিট (Pleats) বোলে। প্লিট বহুধৰণৰ থাকে, যেনে এটীয়া, থোপাকৈ বা কাপোৰৰ সম্পূৰ্ণ অংশ সাঙুৰি থাকিব পাৰে। প্লিটৰ প্ৰকাৰ, সংখ্যা বা পৰিমাণ, দীঘ-পুতলৰ ওপৰত নিৰ্ভৰ কৰি প্লিটৰ বাবে প্ৰয়োজন হোৱা কাপোৰৰ পৰিমাণ হিচাপ কৰি লোৱা হয়। বিভিন্ন প্ৰকাৰৰ প্লিটৰ নমুনা দেখা পোৱা যায়।


**১। চাইদ বা নাইফ প্লিট (Side or knife pleats) ঃ** এইবিধ প্লিট, বেছিভাগ পোছাকত সাধাৰণভাৱে ব্যৱহাৰ কৰা দেখা যায়। ইয়াত ভাঁজবোৰ কাপোৰখনৰ এডাল ৰেখাত, একেদিশে মোটোকাই সমান দূৰত্ব ৰাখি দিয়া হয়। এই প্লিট স্কাৰ্ট, ফ্ৰক, শিশুৰ পোছাক আদিত দেখা পোৱা যায়।



চিত্ৰ ৪.৬— (ক) নাইফ প্লিট


**২। বক্স প্লিট (Box pleats) ঃ** এই প্লিট প্ৰস্তুত কৰিবলৈ কাপোৰৰ দুয়োটা কাষ পিছফাললৈ ভাঁজ দি

মুখামুখিকৈ প্লিটৰ মধ্যবিন্দুত লগ লগাই চিলাব লাগে। ইয়াত সন্মুখৰ ফালে কোঁচ ডাঙৰ হয় আৰু ওলোটাফালে মুখামুখি হয়।



চিত্ৰ ৪.৬— (খ) বক্স প্লিট

৩। ইনভাৰটেড্ প্লিট **(Inverted pleats)** ঃ এই প্লিট বক্স প্লিটৰ থিক বিপৰীত ধৰণৰ হয় আৰু সমান পৰিমাণৰ কাপোৰৰ প্ৰয়োজন হয়। ইয়াত প্লিটৰ দুয়োটা ভাঁজ এক মধ্যবিন্দুত মুখামুখিকৈ লৈ মিলাব লাগে। কাপোৰৰ ওলোটাফালে প্লিটৰ জাঁপ দুটা বিপৰীতমুখী হৈ থাকে।



চিত্ৰ ৪.৬— (গ) ইনভাৰটেড্ প্লিট

বিভিন্ন প্ৰকাৰৰ প্লিট

### ১৫.৩ (গ) বন্ধনী (Fasteners)

তোমালোকে পিন্ধি থকা পোছাকবোৰলৈ মন কৰাচোন। ইয়াত বুতাম টপ-বুতাম, হুক্, লুপ (Loop) আদি কিছুমান বিশেষ ব্যৱস্থা আছে যাৰ দ্বাৰা পোছাকযোৰ শৰীৰত আট খাই থাকে। গতিকে যিবোৰ বিশেষ ব্যৱস্থাৰ সহায়েৰে সাজ-পোছাক দেহত খাপ খুৱাই ৰখা হয় তাকে বন্ধনী (Fasteners) বোলে। বিভিন্ন পোছাকৰ বাবে ভিন ভিন বন্ধনী ব্যৱহাৰ কৰা হয়।

**টিপ্-বুতাম (Press-Stud)** ঃ পোছাকত অতি সাধাৰণভাৱে ব্যৱহৃত এবিধ বন্ধনী হৈছে টিপ্-বুতাম। সচৰাচৰ শিশু আৰু মহিলাৰ পোছাকত ইয়াক বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই বন্ধনী পোছাকৰ বান্ধ খুৱাবলগীয়া দুই অংশৰ, এটা ওপৰফালে আৰু আনটো তলমুৱাকৈ লগাই হেচি দিব লাগে। চিলাওঁতে চাব লাগে যাতে ওপৰ বা চিধাফালে দেখাকৈ যাতে ওলাই নাথাকে।

**বুতাম (Button)** ঃ এই বন্ধনী সাধাৰণতে শিশু আৰু পুৰুষৰ পোছাকত বেছিকৈ ব্যৱহাৰ কৰা হয়। চাৰ্টৰ বুকু আৰু হাতত, কোট, জেকেট, পেন্ট, চুয়েটাৰ, ফ্ৰক ইত্যাদিত বুতাম ব্যৱহাৰ কৰা হয়। সৰু ডাঙৰ বিভিন্ন ধৰণৰ বুতাম পোছাকৰ লগত মিলাই ব্যৱহাৰ কৰা হয় পোছাকৰ বান্ধ খুৱাবলগীয়া অংশ দুটাৰ, তলৰ অংশত বুতামটো চিলাব লাগে। ওপৰত থাকিবলগীয়া অংশৰ সঠিক স্থানত বুতামটো সোমাব পৰাকৈ এটা বিন্ধা কৰিব লাগে। বুতামতকৈ $\frac{1}{8}$ চেন্টিমিটাৰ ডাঙৰকৈ কাপোৰৰ সঠিক স্থানত কাটি লৈ, চাৰিওফালে কম্বলচিলাই কৰি বিন্ধাটো তৈয়াৰ কৰিব লাগে। কিছুমান আলঙ্কৰিক বুতামৰ বাবে সূতাৰে পোছাকত লুপ (Loop) তৈয়াৰ কৰিও

দেখাত শুৱনি কৰি তোলা হয়।

হুক্ (Hook)

আমি পিন্ধা কিছুমান পোছাক শৰীৰত টানকৈ আঁট খাই থাকিবৰ বাবে এক প্ৰকাৰ মজবুত বন্ধনী ব্যৱহাৰ কৰা হয়। শিশু, মহিলা, পুৰুষ সকলোৰে পোছাকত ব্যৱহৃত হোৱা এই বন্ধনীক হুক (Hook) বোলা হয়। পোছাকৰ প্ৰয়োজন সাপেক্ষে সৰু-ডাঙৰ কেইবাবিধৰো হুক আছে। ফ্ৰকৰ পিঠি অংশত, মহিলাৰ ব্লাউজ আদিত সৰু হুক ব্যৱহাৰ কৰা হয়। বান্ধ খুৱাবলগীয়া দুই অংশৰ ওপৰত থাকিবলগা অংশৰ ভিতৰৰ ফালে হুক লগাই আন অংশত এক বিন্ধা কৰি হুকটো ভৰাব পৰাকৈ প্ৰস্তুত কৰিব লাগে। ইয়াক হুক এণ্ড আই (Hook and Eye) বোলে। কিছুমান হুক খাপ খুৱাবলৈ সঠিক স্থানত সূতাৰে এডাল দণ্ড প্ৰস্তুত কৰি লোৱা হয়। সেইদৰে স্কাৰ্ট, পেন্ট আদিৰ কঁকালত অধিক জোৰ পৰে। এনে স্থানত ডাঙৰ হুক আৰু খাপ খুৱাবলৈ এডাল দণ্ড থাকে। এই ধৰণৰ বন্ধনীবোৰক হুক এণ্ড বাৰ (Hook and Bar) বোলা হয়।

গতিকে দেখা গ'ল যে আমাৰ সাজ-পোছাক নিৰ্বাচন কৰোঁতে ইয়াত আলোচনা কৰা সকলোবোৰ বিষয়লৈ গুৰুত্ব দিব লাগিব। তেহে আমি নিখুঁত আৰামদায়ক, দীৰ্ঘস্থায়ী, সুন্দৰ পোছাক নিৰ্বাচন কৰিবলৈ সক্ষম হ'ম।

## মূলভাৱ

- পোছাক নিৰ্বাচন কৰোঁতে বহুতো বিষয়লৈ চকু দিব লাগে।
- পোছাক কিনিবলৈ যোৱাৰ আগতে শৰীৰৰ জোখ-মাপ লোৱাৰ সঠিক জ্ঞান থকা আৱশ্যক।
- পোছাকৰ বাবে শৰীৰৰ জোখ-মাপ লোৱা বিভিন্ন পদ্ধতি আছে।
- পোছাকৰ গুণাগুণ বিচাৰ কৰিবলৈ কেতবোৰ বিশেষ কথালৈ লক্ষ্য কৰিব লাগে।
- পোছাকৰ কাৰিকৰী কৌশল মজবুত আৰু বিজ্ঞানসন্মত হোৱা উচিত।
- পোছাকৰ কাৰিকৰী কৌশল নিখুঁত হবলৈ বস্ত্ৰ, পৰিধেয়, নমুনা, সিয়নি, প্লেকেট, প্লিট আৰু বন্ধনী সঠিক হব লাগিব।

## প্ৰশ্নাৱলী

১। অতি চমু উত্তৰৰ প্ৰশ্ন ঃ

ক) পোছাকে কি প্ৰতিফলিত কৰে?

খ) পোছাকৰ বাবে উপাৰ্জনৰ কিমান শতাংশ ব্যয় কৰা উচিত?

গ) সিয়নি কি?

ঘ) বন্ধনী কি?

২ চমু উত্তৰৰ প্ৰশ্ন ঃ

ক) সাজ-পোছাক নিৰ্বাচনৰ গুৰুত্ব কি?

খ) প্লিট বুলিলে কি বুজা?

গ) পৰিধান যোগ্যতাৰ অৰ্থ কি?

৩ দীঘল উত্তৰৰ প্ৰশ্ন ঃ

ক) শৰীৰৰ জোখ-মাখ লওঁতে বিবেচনা কৰিবলগীয়া বিষয়সমূহ উল্লেখ কৰা

খ) পোছাকত ব্যৱহৃত সিয়নিসমূহৰ বিষয়ে লিখা।

গ) প্লেকেট কি? বিভিন্ন প্ৰকাৰৰ প্লেকেটৰ বিষয়ে লিখা।

ঘ) পোছাকৰ গুণাগুণ বিচাৰ কৰোঁতে কি কি বিষয়লৈ লক্ষ্য কৰা উচিত?

——oo——